অসম বিধান সভা

তৰাবিহীন প্ৰশ্ন নং: ৫০

বিষয় : ডিগবৈ সমষ্টিত থকা চোমনি সংৰক্ষণ তথা পুনৰ্জীৱিত কৰাৰ সম্পৰ্কে।

উত্তৰ দানৰ তাৰিখ : ০৬-০৭-২০২৬

বিধায়কৰ নাম : শ্ৰীসুৰেণ ফুকন :

**প্ৰশ্ন**

মাননীয় হস্ততাঁত বস্ত্ৰ আৰু ৰেচম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ডিগবৈ সমষ্টিৰ টিংৰাইত অৱস্থিত চোমনিখনত থকা ৩৫ বিঘা, গোচৰণীয়া মুগা ফাৰ্মখনৰ ২৫০ বিঘা, এৰি সঁচ উৎপাদন কেন্দ্ৰ ১০০ বিঘা মুঠ ৩৮৫ বিঘাৰ এই চোমনিখন বৰ্তমান বিলুপ্তিৰ দিশত, সম্ভাৱনাময় এই চোমনি খনক সংৰক্ষণ তথা ইয়াত উৎপাদনৰ বাবে বিভাগক বহুবাৰ অনুৰোধ জনোৱা হৈছে যদিও কাৰ্যতঃ হৈ উঠা নাই, এই ক্ষেত্ৰত বিভাগে কিবা পৰিকল্পনা হাতত লৈছে নেকি জনাব ।

(খ) এই চোমনি খন কাৰ্য্যক্ষম হৈ উঠিলে চৰকাৰী ভাবে বহু নিবনুৱা যুৱক - যুৱতীৰ উপৰিও খিলঞ্জীয়া মহিলা সকলৰ উপাৰ্জনৰ নতুন পথ মুকলি হোৱাৰ পূৰ্ণ সম্ভাৱনা আছে। মাননীয় মন্ত্ৰী মহোদয়ে এই চোমনিখনৰ বৰ্তমানৰ স্থিতি আৰু বিভাগীয় পৰিকল্পনাৰ সন্দৰ্ভত চৰকাৰীভাৱে উপলব্ধ তথ্যৰ বিষয়ে বিতংকৈ জনাবনে?

**উত্তৰ**

মাননীয় হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম বিভাগৰ মন্ত্ৰী শ্ৰীযুত বিশ্বজিৎ দৈমাৰী  মহোদয়ে উত্তৰ দিব:

ক) হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম বিভাগে ডিগবৈ সমষ্টিৰ টিংৰাই চোমনীখন সন্দৰ্ভত সংৰক্ষণ তথা উৎপাদনৰ বাবে বিভাগে পৰিকল্পনা কৰিছে।

খ) এই চোমনিখনৰ বৰ্তমানৰ স্থিতি আৰু বিভাগীয় পৰিকল্পনাৰ সন্দৰ্ভত বিতং তথ্য পৰিশিষ্ট (ক)'ত যোগান ধৰা হৈছে।

৩৩৩

## পৰিশিষ্ট ‘ক’

**(ক)** ডিগবৈ সমষ্টিত টিংৰাই মুগা ফাৰ্মত বৰ্তমান ২০০০০ চোম আৰু সোঁৱালু পুলিৰ নাৰ্চাৰী পূৰ্ণাংগ ৰূপত উপলব্ধ হৈ আছে, যাৰ পৰা আগ্ৰহী মুগা পালকক তেখেতসকলৰ প্ৰয়োজন সাপেক্ষে পুলি যোগান ধৰা হৈছে। ইয়াৰোপৰি ফাৰ্ম খনত খালী ঠাইবোৰত পুলি ৰোপন কৰা হৈছে যাতে অনাগত দিনত মুগা পলুৰ খাদ্য বৃক্ষৰ নাটনি নহয়। বিগত বছৰ কেইটাত ফাৰ্ম খনত তিনিচুকীয়া জিলাৰ উপৰিও অন্য জিলাৰ পৰা অহা মুঠ ৬৭ জন পালকে মুগা পালন কৰিছে।

মুগা ফাৰ্ম টিংৰাইৰ মুঠ মাটি কালি ৩৩.৩৩ হেক্টৰ

বৰ্তমান গছৰ সংখ্যা - ১১৯০০ জোপা;  খালী মাটি - ৭.৫ হেক্টৰ

১০০ বিঘা যুক্ত এড়ি সঁচ উৎপাদন কেন্দ্ৰত বৰ্তমান ১০০০০ কেচেৰু নাৰ্চাৰী উপলব্ধ, বিগত বছৰটোত ৪ হেক্টৰ মাটিত MGNREGA আৰু ১ একৰ মাটিত SOPD ৰ জৰিয়তে পুলি ৰোপণ কৰা হয় ।  এই কেন্দ্ৰত উৎপাদিত এড়ি সঁচ, জিলাখনৰ এড়ি পলু পালক সকলে মূল সঁচ হিচাপে লৈ পলু পালন কৰে। ইয়াৰো পৰি মাজে মাজে উদ্বৃত্ত সঁচ অন্য জিলালৈও প্ৰেৰণ কৰা হয়। বিগত বছৰটোত কেন্দ্ৰটোত ৭২৯৪ DFLs উৎপাদন কৰা হয়,এই।সঁচৰ sale proceed হিচাপে মুঠ ৮১,৯১০ টকা ৰাজহ জমা দিয়া হয়।

এড়ি সঁচ উৎপাদন কেন্দ্ৰত মুঠ মাটি কালি ১৩.৩৮ হেক্টৰ

বৰ্তমান গছৰ সংখ্যা - ৭৬০০ জোপা; খালী মাটি - ২.৫৮ হেক্টৰ

৩৫ বিঘা যুক্ত নুনী পুলি পছোৱা আৰু চালুকীয়া পলু কেন্দ্ৰত বৰ্তমান ৭০০০ নুনী নাৰ্চাৰী আছে আৰু পালক সকলে তাৰ পৰা লাভান্বিত হৈ আছে। ইয়াত নুনীৰ মৌলিক বীজ উৎপাদন কৰা হয়, তাৰোপৰি কেন্দ্ৰটোত থকা ৩ হেক্টৰ চোম গছত পালক সকলৰ দ্বাৰা মুগা পালন কৰা হয়।

বৰ্তমান নুনী পুলি পছোৱা আৰু চালুকীয়া পলু কেন্দ্ৰত নুনী গছৰ সংখ্যা ৭৩২৫ জোপা

চোম গছৰ সংখ্যা : ১৪০২ জোপা; খালী মাটি নাই ।

**(খ)** অসমৰ পৰম্পৰাগত মুগা ৰেচম উদ্যোগক শক্তিশালী কৰাৰ লক্ষ্যৰে যোৱা ২০২৬ চনৰ ২ জুন তাৰিখে অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা  আৰু উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়ন বিভাগৰ কেন্দ্ৰীয় মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াদেৱে প্ৰায় ৰাজ্যখনত ২.৫ লাখতকৈ অধিক লোকক লাভান্বিত কৰিব পৰাকৈ নিৰ্মাণ কৰা ৪১১ কোটি টকাৰ প্ৰকল্প মিছন "মুগা ৰেচম 'চেনেহজৰী'"ৰ জৰিয়তে তিনিচুকীয়া জিলাৰ মুগা শিল্পৰ লগত জড়িত লোক সকল অনাগত দিনত অতিশয় লাভান্বিত হব। এই বিশেষ প্ৰকল্পৰ বাবে টিংৰাই মুগা ফাৰ্মক বিশেষ ভাৱে সামৰি লোৱা হৈছে। FPO ৰ যোগেদি কৰিবলগীয়া আঁচনিৰ সফল ৰূপায়ণৰ বাবে তিংৰাই মুগা ফাৰ্মতে Muga Aggregation Centre খোলাৰ বাবে নিৰ্বাচন কৰা হৈছে।

**মূল উদ্দেশ্য -**

১/ মুগা কেঁচা ৰেচমৰ গুণগত মান আৰু উৎপাদন বৃদ্ধি কৰা

২/ মূল্য শৃংখলৰ সংযোগ শক্তিশালী কৰা

৩) ব্ৰেণ্ডিং আৰু গ্ল'বেল প্ৰমোচন – “The Muga Silk – Senehjori of Assam”ক বিশ্বব্যাপী স্বীকৃতিপ্ৰাপ্ত ব্ৰেণ্ড হিচাপে প্ৰচাৰ কৰা।

৪/ বাণিজ্যিকীকৰণ আৰু উদ্যোগীকৰণ বিকাশ ।